# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2025 **Time :** 1205 Hrs.

## ***Assamese Midday Bulletin***

000000১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৬২ হাজাৰ কোটিৰো অধিক মূল্যৰ যুৱকেন্দ্ৰিক পদক্ষেপ মুকলি কৰে।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰ্যালয়ে ২ বছৰৰ তলৰ শিশুক কাহ-চৰ্দিৰ ঔষধ নিদিবলৈ পৰামৰ্শ আগবঢ়াইছে।

৩। জম্মু-কাশ্মীৰত প্ৰতিকূল বতৰৰ বাবে শ্ৰীমাতা বৈষ্ণ'দেৱী যাত্ৰা কাইলৈৰ পৰা ৭ ছেপ্তেম্বৰলৈ বন্ধ ৰখা হৈছে।

৪। ছানাই টাকাইচি জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে।

**আৰু**

৫। আহমেদাবাদ টেষ্টত ভাৰত জয়ৰ দিশে অগ্ৰসৰ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৬২ হাজাৰ কোটিৰো অধিক মূল্যৰ যুৱকেন্দ্ৰিক পদক্ষেপ মুকলি কৰে। যুৱ দক্ষতাৰ বাবে এটা ঐতিহাসিক পদক্ষেপ হিচাপে প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ দেশতে এহেজাৰ আই টি আই উন্নীতকৰণৰ বাবে পি এম সেঁতু আৰম্ভ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সমাবেশক সম্বোধন কৰি কয় যে ৰাষ্ট্ৰ নিৰ্মাণত দক্ষতাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয় যে তেওঁৰ চৰকাৰে দক্ষতা আৰু উদ্ভাৱনত শক্তিশালী গুৰুত্বৰে ভৱিষ্যতৰ বাবে নেতৃত্ব দিবলৈ যুৱশক্তিক প্ৰস্তুত কৰাইছে। ভাৰত জ্ঞান আৰু দক্ষতাৰ এখন দেশ আৰু বৌদ্ধিক সামৰ্থ দেশৰ মহানতম শক্তি বুলি শ্ৰীমোদীয়ে আলোকপাত কৰে। আই টি আইসমূহ এখন আত্মনিৰ্ভৰ ভাৰতৰ কৰ্মশালা বুলিও শ্ৰীমোদীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে।

শ্ৰীমোদীয়ে বিহাৰৰ বাবে মুখ্যমন্ত্ৰী নিশ্চিত স্বয়ম সহায়তা যোজনাও আৰম্ভ কৰে। এই যোজনা অনুসৰি স্নাতক যুৱক-যুৱতীসকলক ২ বছৰৰ বাবে মাহিলী এহেজাৰ টকাৰ ভাট্টা প্ৰদান কৰা হ'ব। ইয়াৰপৰি প্ৰধানমন্ত্ৰীয়ে বিহাৰত জননায়ক কাপুৰী ঠাকুৰ দক্ষতা বিশ্ববিদ্যালয় উদ্বোধন কৰে। বিহাৰৰ চাৰিখন বিশ্ববিদ্যালয়ৰ নতুন শৈক্ষিক আৰু গৱেষণামূলক সুবিধাৰ আধাৰশিলা স্থাপন আৰু পাটনা এন আই টিৰ এটা নতুন চৌহদো মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ৩৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে নৱোদয় বিদ্যালয় আৰু একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ত ১২০০ দক্ষতা বিকাশ কেন্দ্ৰ উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে দক্ষতা দীক্ষান্ত সমাৰোহত আই টি আইৰ শীৰ্ষ স্থান অধিকাৰ কৰা যুৱক-যুৱতীসকলক সম্বৰ্ধনা জনায়।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰ্যালয়ে ২ বছৰৰ তলৰ শিশুক কাহ-চৰ্দিৰ ঔষধ নিদিবলৈ পৰামৰ্শ আগবঢ়াইছে। মন্ত্ৰ্যালয়ে কৈছে যে সাধাৰণতে ৫বছৰৰ তলৰ শিশুৰ বাবে কাহ-চৰ্দিৰ ঔষধৰ পৰামৰ্শ দিয়া নহয় আৰু ৫ বছৰৰ ওপৰৰ শিশুৰ ক্ষেত্ৰত চিকিৎসকৰ পৰামৰ্শ আৰু তত্ত্বৱধানত সাৱধানতা অৱলম্বন কৰি এনে ঔষধ দিয়া উচিত। মন্ত্ৰ্যালয়ে এই সন্দৰ্ভত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত স্বাস্থ্য সেৱা বিভাগৰ সঞ্চালকলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত শিশুৰ বেছিভাগ কাহ সম্পৰ্কীয় ৰোগ নিজে নিজে ভাল হয় আৰু কোনোধৰণৰ ঔষধৰ প্ৰয়োজন নহয় বুলি কোৱা হৈছে। অলপতে মধ্যপ্ৰদেশত কাহ-চৰ্দিৰ ঔষধ খোৱাৰ বাবে কেইবাটাও শিশুৰ মৃত্যু হোৱা বুলি ওলোৱা বাতৰিলৈ চাই এই পৰামৰ্শৱলী জাৰি কৰা হৈছে।

০০০০০

জম্মু-কাশ্মীৰত প্ৰতিকূল বতৰৰ বাবে শ্ৰীমাতা বৈষ্ণ'দেৱী যাত্ৰা কাইলৈৰ পৰা ৭ অক্টোবৰলৈ বন্ধ ৰখা হৈছে। তীৰ্থযাত্ৰীসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি এই সিদ্ধান্ত লোৱা হৈছে। ভক্তসকলক শ্ৰীমাতা বৈষ্ণ'দেৱী দেৱালয় পৰিষদে ৱেবছাইটৰ জৰিয়তে জাৰি কৰা আনুষ্ঠানিক পৰামৰ্শৱলী অনুসৰণ কৰিবলৈ কোৱা হৈছে। ০০০০

০০০০০০

ছানাই তাকাইচি জাপানৰ শাসকীয় লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ নেতা হিচাপে আজি নিৰ্বাচিত হয় । ১৫ অক্টোবৰত তেওঁ জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হ'ব।

জাপানৰ প্ৰাক্তন অৰ্থনৈতিক নিৰাপত্তা মন্ত্ৰী তাকাইচিয়ে দ্বিতীয় পৰ্যায়ত কৃষি মন্ত্ৰী শ্বিনজিৰো ক'ইজুমিক পৰাস্ত কৰে। টাকাইচিৰে ১৮৫টা আৰু কইজুমীৰে ১৫৬টা ভোট লাভ কৰে। ইয়াৰ পূৰ্বে দলৰ নেতা নিৰ্বাচনৰ দৌৰত অংশগ্ৰহণ কৰা পাঁচজন প্ৰাৰ্থীৰ কোনো এজনেই প্ৰাৰম্ভিক ৰাউণ্ডৰ ভোটদানত সংখ্যাগৰিষ্ঠতা লাভ কৰা নাছিল । যোৱা মাহত দেশখনৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইছিবাই পদত্যাগ কৰাৰ ফলত নেতৃত্ব নিৰ্বাচনৰ সূচনা হৈছিল।

ছানাই তাকাইচিৰ লগতে এলডিপিৰ প্ৰাক্তন সচিব প্ৰধান টোছিমিটছু মোটেগী, মুখ্য কেবিনেট সচিব যোছিমাছা হায়াছি, কৃষি মন্ত্ৰী শ্বিনজিৰো ক'ইজুমি, আৰু টাকায়ুকি কোবায়াছিৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বী হিছাপে ঠিয় দিছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুবিধাৰ অৰ্থে যোৱা ঘোষণা কৰা জি এছ্ টি সঞ্চয় উৎসৱ ২২ ছেপ্তেম্বৰৰ পৰা প্ৰযোজ্য হৈছে। পৰৱৰ্তী প্ৰজন্মৰ এই জি এছ্ টি সংস্কাৰে দেশৰ পৰোক্ষ কৰ ব্যৱস্থা সৰল কৰি তুলিছে। এই সংস্কাৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ কৰৰ হাৰ হ্ৰাস কৰি জনসাধাৰণক সকাহ প্ৰদান কৰিছে। আজি আমি সামগ্ৰী কঢ়িওৱা বাণিজ্যিক বাহনৰ ওপৰত আৰোপিত কৰ কৰ্তন সন্দৰ্ভত আলোকপাত কৰিবলৈ লৈছো–

চৰকাৰে পৰিবহন খণ্ডক সকাহ প্ৰদানৰ উদ্দেশ্যে ট্ৰাক আৰু ডেলিভাৰী বাহনকে ধৰি মালবাহী বাণিজ্যিক গাড়ীৰ ওপৰত আৰোপিত কৰ হ্ৰাস হৈছে। ক্ষুদ্ৰ আৰু মজলীয়া পৰিবহন ব্যৱসায়সকলৰ বাবে পৰিচালন মূল্য কম কৰাৰ লগতে সমগ্ৰ দেশত সামগ্ৰীৰ পৰিবহন সুগম কৰি তোলাৰ উদ্দেশ্যে এই খণ্ডৰ ওপৰত আৰোপিত কৰ - পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত দেশৰ পৰিবহন আৰু মালবাহী খণ্ডই নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰোপৰি জি এছ্ টি হ্ৰাস কৰাৰ ফলত ট্ৰাকৰ মূলধনী ব্যয় আৰু কিলোমিটাৰে প্ৰতি প্ৰতিটন সামগ্ৰীৰ ভাড়া কমিছে।

০০০০০

উপ–ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি বিশিষ্ট স্বাধীনতা সংগ্ৰামী সুব্ৰমণিয়া শিৱাৰ জন্ম জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মহাকবি সুব্ৰমণীয়া ভাৰতী আৰু ভি ইউ চিদাম্বৰম পিল্লাইৰ ঘনিষ্ঠ সহযোগী হিচাপে তেওঁক স্মৰণ কৰি উপ–ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ অদম্য দেশপ্ৰেম আৰু দেশৰ বাবে কৰা ত্যাগক প্ৰশংসা কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী ৰাধাকৃষ্ণনে কয় যে ব্ৰিটিছ শাসনৰ অধীনত ৰুগীয়া অৱস্থা আৰু কষ্টৰ মাজতো সুব্ৰমণিয়া শিৱই সমগ্ৰ তামিলনাডু ভ্ৰমণ কৰি ভাৰত মাতাৰ বাবে উৎসৰ্গিত মন্দিৰ নিৰ্মাণৰ বাবে সমৰ্থন বিচাৰিছিল ।উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শিৱাৰ সাহস, ত্যাগ আৰু মাতৃভূমিৰ প্ৰতি ভক্তিৱে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অনুপ্ৰাণিত কৰি থাকিব।0000

00000

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ স্বৰূপে আজি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনাত মিলিত হয়। বিজেপি, জেডি(ইউ), কংগ্ৰেছ, আৰজেডি, বাওঁপন্থী দল আদি ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে মুক্ত, নিকা, সৰ্বাংগীন আৰু শান্তিপূৰ্ণ নিৰ্বাচনৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ দাখিল কৰে।
বৈঠকৰ অন্তত বিহাৰ বিজেপিৰ সভাপতি দিলীপ জয়ছৱালে কয় যে অহা মাহৰ ৩ বা ৪ তাৰিখৰ পাছত নিৰ্বাচন অনুষ্ঠিত কৰা উচিত লাগিব বুলি দলটোৱে দাবী জনাইছে।
আলোচনাৰ অন্তত নিৰ্বাচন আয়োগৰ দলটোৱে প্ৰশাসনিক আৰু আৰক্ষী বিষয়াসকলৰ সৈতে এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক কৰি আছে।বৈঠকৰ সময়ত প্ৰশাসন আৰু আইন-শৃংখলা সম্পৰ্কীয় প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হ'ব। এই বৈঠকত সকলো মন্দলিক আয়ুক্ত, আৰক্ষীৰ মহা পৰিদৰ্শক, ডি আই জি, জিলা দণ্ডাধীশ সহ জিলা নিৰ্বাচনী বিষয়া, এছ এছ পি আৰু এছ পি সকলৰ সৈতে বৈঠক অব্যাহত আছে।0000

00000

বিশ্ব নেতাসকলে আজি গাজাত ৰখা সকলো পণবন্দীক মুকলি কৰি দিয়াৰ সিদ্ধান্ত আৰু আমেৰিকাৰ নেতৃত্বত শান্তি প্ৰস্তাৱৰ সৈতে জড়িত হ'বলৈ হামাছৰ উল্লেখিত ইচ্ছাক আদৰণি জনায়। তেঁওলোকে কয় যে ৰি সিদ্ধান্তক চলি থকা সংঘাতৰ সম্ভাব্য উল্লেখযোগ্য ক্ষণ হিচাপে গণ্য কৰে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ কূটনৈতিক প্ৰচেষ্টাৰ পিছত এই ঘোষণা কৰা হয়। ট্ৰাম্পে এই সপ্তাহৰ আৰম্ভণিতে ইজৰাইল আৰু হামাছৰ মাজৰ যুদ্ধ সমাধানৰ লক্ষ্যৰে ২০ দফীয়া শান্তি পৰিকল্পনা মুকলি কৰিছিল।
ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰমাৰে হামাছৰ এই পদক্ষেপক শত্ৰুতা শেষ কৰাৰ দিশত এক বৃহৎ পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ আমেৰিকাৰ এই পদক্ষেপৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে আৰু যুদ্ধবিৰতিৰ সুবিধা প্ৰদান, পণবন্দীসকলক ঘূৰাই অনাৰ সুবিধা প্ৰদান কৰা, আৰু গাজাৰ সাধাৰণ নাগৰিকৰ ওচৰলৈ মানৱীয় সাহায্য পোৱাটো নিশ্চিত কৰাৰ পৰিকল্পনা কাৰ্যকৰী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ফ্রান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনে দ্ৰুত ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে ।

অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্টনি আলবানিছেও এই পদক্ষেপক আদৰণি জনাই হামাছক এই চুক্তি সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়।

ooooo

বায়ুসেনাৰ মুৰববী অমৰপ্ৰীত সিঙৰ কৃত্ৰিম বুদ্ধিমত্তা সম্বলিত বহুল প্ৰচাৰিত এটা ভিডিঅ' ভুৱা বুলি চৰকাৰে দাবী কৰিছে। প্ৰেছ্ ইনফ'ৰমেছন ব্যুৰ'ৰ সত্য পৰীক্ষণ গোটে কয়, যে বায়ুসেনাৰ মুৰববীগৰাকীৰ নামত ওলোৱা ভিডিঅ'টো ভুৱা আৰু এয়া প্ৰযুক্তিৰ সহায়ত প্ৰস্তুত কৰা হৈছে। বায়ুসেনাৰ মুৰববীগৰাকীয়ে ভিডিঅ'টোত প্ৰকাশ পোৱা ধৰণৰ কোনো মন্তব্য কৰা নাই। কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা এনে ভিডিঅ'ৰে দুষ্ট চক্ৰই মানুহক অস্থিৰ কৰাৰ লগতে বিপথে পৰিচালিত কৰিবলৈ চেষ্টা চলোৱা বুলিও প্ৰেছ্ ইনফ'ৰমেছন ব্যুৰ'ৰ সূত্ৰই প্ৰকাশ কৰে।

ooooo

আহমেদাবাদ টেষ্টত ভাৰত জয়ৰ দিশে অগ্ৰসৰ হৈছে। ৱেষ্ট ইণ্ডিজে আমালৈ বাতৰি অহা পৰলৈকে দ্বিতীয় ইনিংছত ৯টা উইকেট হেৰুৱাই ১৩২ ৰান সংগ্ৰহ কৰি খেলি আছিল। ৱেষ্টইণ্ডিজ এটা উইকেট আউট হ'বলৈ বাকী থকা অৱস্থাত ভাৰতকৈ সামগ্ৰিকভাৱে ১৫৪ ৰানত পিছপৰি আছে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৪টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে ৫ উইকেটৰ বিনিময়ত ৪৪৮ ৰান কৰি প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ধ্ৰুৱ জুৰেল, ৰবীন্দ্ৰ জাদেজা আৰু কে এল ৰাহুলৰ শতকৰ সহায়ত ভাৰতে ৱেষ্টইণ্ডিজতকৈ ২৮৬ ৰানৰ অগ্ৰগতি লাভ কৰে।

ooooo